নিয়মীয়া বাৰ্তা বৃহস্পতিবাৰ, ২৯ আগষ্ট, ২০২৪

বাদ



ক্ষ বেদব্রত
ন চৰকাৰক
বিপুল গগৈ,
চক্রৱর্তীকে
দ্ধ উলিওৱা

# দিছপুৰ কলেজৰ প্ৰতিষ্ঠা দিৱস উদযাপন

গুৱাহাটী, ২৮ আগষ্ট ঃ দিছপুৰ মহাবিদ্যালয়ৰ প্ৰাংগণত আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে ৪৬সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগতে ছাত্ৰ একতা সভাৰ উদ্যোগত ২০২৩-২৪ বৰ্ষৰ নৱাগত আদৰণী সভা অনুষ্ঠিত কৰা হয়। পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে পতাকা উত্তোলন আৰু উপাধ্যক্ষা ড° সুনীতা আগৰৱালাই শ্বহীদ তৰ্পণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মুকলি সভাত সভাপতিত্ব কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই যিসকল বৰেণ্য ব্যক্তিৰ উদ্যোগ তথা কষ্টৰ ফলত মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল তেওঁলোকলৈ সশ্ৰদ্ধ প্ৰণিপাত জনায়। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অভিনেতা প্ৰাঞ্জল শইকীয়াই বক্তব্য আগবঢ়াই। মহাবিদ্যালয়খনৰ আলোচনী বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰেৰণা'ৰ লগতে দিছপুৰ মহাবিদ্যালয় প্ৰকাশন পৰিষদৰ পৰা মহাবিদ্যালয়খনৰ ছাত্ৰী য়ানা শৰ্মাৰ হিন্দী কবিতা পুথি 'নিকহত-এ-মোমবৱত' আৰু ইংৰাজী বিভাগৰ পৰা 'ইংক-ষ্টেইনছ' শীৰ্ষক নিউজ লেটাৰ উন্মোচন কৰা হয়। উন্মোচন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে। উক্ত সভাতেই ২০২৩-২৪ বৰ্ষৰ শ্ৰেষ্ঠ স্নাতক, শ্ৰেষ্ঠ পুথিভঁৰাল পঢ়ুৱৈ, শ্ৰেষ্ঠ এনএছএছ ভলেণ্টিয়াৰ বঁটা আদিও প্ৰদান কৰা হয়।